শ্রীশ্রী কৃষ্ণায় নমোনমঃ

# ভক্তিতত্ব কাব্য

# Devotional Poetry of Śrimanta Śankaradeva

6/27/2012

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

# শ্ৰীশ্ৰী কৃষ্ণায় নমোনমঃ

করতল কমল কমলদল নয়ন।
ভয়দৱ দহন গহন বন শয়ন।।
নপৰ নপৰ পৰ সতৰত গময়।
সভয় মভয় ভয় মমহৰ সততয়।।
খৰতৰ বৰশৰ হত দশবদন।
খগচৰ নগধৰ ফণধৰ শয়ন।।
জগদঘ মপহৰ ভৱভয় তৰণ।
পৰপদ লয়কৰ কমলজ বয়ন।।

*আদ্য স্বৰ (অ-স্বৰ)বাহিৰে আন কোনো স্বৰবর্ণ বা যুক্তাক্ষৰ প্ৰয়োগ নকৰাকৈ ৰচিত তৈল লোণ নাই শুদা ব্যঞ্জন-স্বৰূপ আৰু অৰ্থে পৃথিৱী, পাতাল, বৈকুণ্ঠ-স্বৰ্গ ভেদি যোৱা এই স্তোত্ৰজনা মহাপুৰুষ শ্ৰীমন্তশঙ্কৰদেৱৰ সাহিত্য কৰ্মৰ প্ৰথম নিদৰ্শন। ছাত্ৰ শঙ্কৰদেৱে অধ্যাপক মহেন্দ্ৰ কন্দলিৰ পাঠশালাত বৰ্ণমালা শিকিয়েই এই স্তোত্ৰ ৰচনা কৰা বুলি প্ৰসিদ্ধি আছে।